

# আফ্ৰিকান ছোৱাইন ফিভাৰ

## (African Swine Fever)

## বিভাগীয় তথ্যপুস্তিকা







পশুপালন আৰু পশুচিকিৎসা বিভাগ, অসম

চেনীকুঠি, গুৱাহাটী-৩

## পাতনি:

আফ্ৰিকান ছোৱাইন ফিভাৰ হ 'ল- কেৱল গাহৰি প্ৰজাতি সংক্ৰমিত হোৱা এবিধ মাৰাত্মক ভাইৰাছজনিত সংক্ৰামক ৰোগ। এই ৰোগৰ উৎপত্তি ১৯২১ চনত আফ্ৰিকা মহাদেশৰ কেনিয়াত হৈছিল আৰু তাৰ পৰা ইউৰোপৰ কেইখনমান দেশলৈ বিস্তৃত হয়। অৱশ্যে ২০১৮ চনৰ পৰা আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ চীন, কোৰিয়া, কম্বোডিয়া, ম্যানমাৰ আদি তো এই ৰোগৰ প্ৰাদুৰ্ভাৱ হৈছিল। অৱশ্যে সৌভাগ্যৰ কথা এই যে- এ ই ৰোগবিধ মানুহৰ দেহলৈ কেতিয়াও সংক্ৰমিত নহয়।

## ৰোগবিধৰ ভয়াবহতাঃ

আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগবিধ এইবাবেই ভয়াবহ যে এই ৰোগত আক্ৰান্ত গাহৰি ৯০ ৰ পৰা ১০০ শতাংশ পৰ্যন্ত মৃত্যুমুখত পৰে। আনহাতে এই ৰোগবিধ অতি ক্ষিপ্ৰতাৰে ব্যাপক হাৰত সংক্ৰমিত হয়। এতিয়ালৈকে ইয়াৰ কোনো প্ৰতিষেধক ছিটা উদ্ভাৱন হোৱা নাই।

## অসমত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ আৰু সংক্ৰমণঃ

আমাৰ ৰাজ্যখনৰ উজনি অসমৰ ধেমাজি, লক্ষীমপুৰ, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আদি কেইবাখনো জিলাত চলিত বৰ্ষৰ মাৰ্চ মাহৰ শেষৰ ফালে বিভিন্ন বয়সৰ ভালে সংখ্যক গাহৰি এক অচিন ৰোগৰ প্ৰাদুৰ্ভাৱৰ ফলত মৃত্যুমুখত পৰিছিল। পশুপালন আৰু পশুচিকিৎসা বিভাগে বিষয়টো অতি গুৰুতৰ হিচাপে গণ্য কৰি বিভাগৰ তৰফৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰিও ৰোগ বিধৰ চুড়ান্ত কাৰক নিৰূপণৰ বাবে আক্ৰান্ত জিলা সমূহৰ পৰা মৃত গাহৰিৰ প্ৰয়োজনীয় নমুনা সংগ্ৰহ কৰি ভূপালস্থিত ৰাষ্ট্ৰীয় উচ্চ সুৰক্ষা পশুৰোগ নিৰূপণ প্ৰতিষ্ঠান (National Institute of High Security Animal Diseases) লৈ প্ৰেৰণ কৰিছিল আৰু উক্ত প্ৰতিষ্ঠানত যোৱা ২৯

এপ্ৰিল, ২০২০ তাৰিখে আমাৰ ৰাজ্য তথা দেশত কাহানিও নোহোৱা এই ৰোগবিধৰ উপস্থিতি নিশ্চিত হয়।

প্ৰতিষ্ঠানৰ তথ্য অনুসৰি আক্ৰান্ত জিলাসমূহত ৭টা অভিকেন্দ্ৰ নিশ্চিত কৰা হয়। এই অভিকেন্দ্ৰকেইটা হ'ল-

| অভিকেন্দ্ৰ | উন্নয়ন খণ্ড | জিলা |
|---|---|---|
| বৰতামুলী-২ | পূৱ চাৰিদুৱাৰ | বিশ্বনাথ |
| খেলুৱা | শিৱসাগৰ | শিৱসাগৰ |
| নিতাইপুখুৰী(ভাটগাজ) | ডিমৌ | শিৱসাগৰ |
| কটিয়ৰী | ডিমৌ | শিৱসাগৰ |
| বৰমুকলি | উত্তৰ-পশ্চিম যোৰহাট | যোৰহাট |
| গড়চুক | ৭ নং ৱাৰ্ড | কামৰূপ মহানগৰ |
| পিপলগুৰি | চিচিবৰগাঁও | ধেমাজি |

এই অভিকেন্দ্ৰ কেইটাৰ উপৰিও দাঁতিকাষৰীয়া জিলাসমূহৰ পৰাও গাহৰিৰ অস্বাভাৱিক মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে বিভাগে যাৱতীয় নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ ব্যৱস্থা কৰে। জিলাসমূহৰ পৰা পোৱা তথ্য অনুসৰি যোৱা ২২ জুনলৈ মুঠ ১৬,৪৮৬ টা  গাহৰিৰ মৃত্যু হৈছে।




## চৰকাৰী তথা বিভাগীয় পদক্ষেপঃ

অসমত এই ৰোগ নিশ্চিত হোৱাৰ পিছতেই চৰকাৰৰ তৰফৰ পৰা তাৎক্ষণিক ভাৱে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ খানাপাৰা পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ বিশেষজ্ঞ, আমন্ত্ৰিত বিশেষজ্ঞ, বিভাগীয় উচ্চ পদস্থ বিষয়া আৰু প্ৰগতিশীল গাহৰি পালকৰ অন্তৰ্ভুক্তিৰে ৰাজ্য চৰকাৰে এখন ২০ জনীয়া উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰি দিয়ে। বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই যোৱা ৪ মে’ তাৰিখে পশুপালন মন্ত্ৰী অতুল বৰাদেৱৰ সৈতে কামৰূপ জিলাৰ ৰাণীস্থিত চৰকাৰী গাহৰি পাম পৰিদৰ্শন কৰে আৰু পশুপালন আৰু পশুচিকিৎসা বিভাগৰ উচ্চ পৰ্যায়ৰ বিষয়াৰ সৈতে ৰোগবিধৰ সংক্ৰমণ ৰোধৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সন্দৰ্ভত আলোচনা কৰে।





ইয়াৰ উপৰিও, মাননীয় পশুপালন মন্ত্ৰী  অতুল বৰা  ডাঙৰীয়াই অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়াৰ সহযোগত  ২ আৰু ৩ মে’ তাৰিখে দুখন সংবাদমেল সম্বোধন কৰে। তদুপৰি মাননীয় পশুপালন মন্ত্ৰীয়ে  অধ্যক্ষ ডাঙৰীয়াৰ সৈতে সোণাপুৰৰ চৰকাৰী গাহৰি পাম পৰিদৰ্শন কৰে। মাননীয় পশুপালন মন্ত্ৰী  অতুল বৰা  ডাঙৰীয়াই বিভাগীয়

বিষয়াৰ সৈতে ৰাজ্যৰ কেইবাখনো আফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত জিলা পৰিদৰ্শন কৰে।





ইতিমধ্যে ৰাজ্যৰ পশুপালন আৰু পশুচিকিৎসা বিভাগে প্ৰতিখন জিলাতে কৰ্মী বাহিনী (Task force) আৰু দ্ৰুত সহাৰি দল (Rapid response team) গঠন কৰি সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে| আনহাতে প্ৰতিখন জিলাতে জনসাধাৰণ তথা গাহৰি পালকক সজাগ কৰাৰ বাবে সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে প্ৰচাৰ পত্ৰ বিতৰণ আৰু প্ৰচাৰ অভিযান আৰম্ভ কৰা হয়। ইয়াৰ লগতে বৈদ্যুতিন মাধ্যমত গাহৰি পালকৰ উদ্দেশ্যে মাননীয় মন্ত্ৰী মহোদয়ৰ আবেদন প্ৰচাৰ কৰা হয়। তেনেদৰে ছপা মাধ্যমত অসমৰ কেইবাখনো আগশাৰীৰ বাতৰিকাকতত গাহৰি পালকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কীয় বিজ্ঞাপন প্ৰচাৰ কৰা হয়। এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে জিলা প্ৰশাসন আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সহযোগত বীজাণুনাশক ছটিওৱা কাম পূৰ্ণগতিত চলাই থকা হৈছে। গাহৰি পালকসকলে সন্মুখীন হোৱা যিকোনো সমস্যা বা ৰোগ সম্পৰ্কীয় দিহা-পৰামৰ্শ লাভ কৰিবৰ বাবে বিভাগৰ তৰফৰ পৰা ট’ল ফ্ৰী নং- “১৯৬২” মুকলি কৰি দিয়া হৈছে। আগ্ৰহী পশুপালকে কাৰ্যালয়

খোলা দিনত পুৱা ১০ বজাৰ পৰা বিয়লি ৪ বজালৈ যোগাযোগ কৰিব পাৰিব। আফ্ৰিকান গাহৰি জ্বৰৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত তাৎক্ষণিকভাৱে পশুপালন আৰু পশু চিকিৎসা বিভাগৰ তৰফৰ পৰা এটা নিয়ন্ত্ৰণ কক্ষও মুকলি কৰা হৈছে। এই কক্ষ পুৱা ১০ বজাৰ পৰা নিশা ৮ বজালৈ মুকলি থাকিব।






## গাহৰিপালকলৈ ক্ষতিপূৰণৰ ব্যৱস্থা:

চৰকাৰী নীতি-নিৰ্দেশনা অনুসৰি এই ৰোগত আক্ৰান্ত হোৱা গাহৰি নিধন কৰিবলগীয়া হ'লে গাহৰিটোৰ দেহৰ ওজন অনুযায়ী ক্ষতিপূৰণ আদায় দিয়া হ'ব আৰু এইক্ষেত্ৰত স্বচ্ছতা অৱলম্বনৰ বাবে গৰাকীৰ বেংক একাউন্টত পোনপটীয়াকৈ এই ধন জমা কৰি দিয়া হ'ব।

| ক্ৰমিক নং | নিধন কৰিবলগীয়া গাহৰিৰ ওজন | ক্ষতিপূৰণৰ পৰিমাণ (টকা) |
|---|---|---|
| ১ | ১৫ কিলোগ্ৰাম পৰ্যন্ত | ২২০০/- |
| ২ | ১৫-৪০ কিঃ গ্ৰাঃ | ৫৮০০/- |
| ৩ | ৪০-৭০ কিঃ গ্ৰাঃ | ৮,৪০০/- |
| ৪ | ৭০- ১০০ কিঃ গ্ৰাঃ | ১২,০০০/- |
| ৫ | ১০০ কিঃ গ্ৰাঃ ত কৈ অধিক | ১৫,০০০/- |

ইয়াৰ উপৰিও এই ৰোগৰ বাবে ব্যৱহাৰৰ বাবে অনুপযোগী গাহৰিৰ দানা পেলাই দিবলগীয়া হ'লে প্ৰতি কিলোগ্ৰাম দানাৰ বাবে ২২/- টকাকৈ আদায় দিয়া হ'ব।

## গাহৰি পালকৰ দায়িত্ব আৰু কৰণীয়ঃ

আফ্ৰিকান গাহৰি জ্বৰ গাহৰিৰ এবিধ মাৰাত্মক ৰোগ। ইয়াৰ কোনো প্ৰতিষেধক ছিটা নাই।যিকোনো বয়সৰ গাহৰিৰ এই ৰোগ হ'ব পাৰে। মানুহৰ দেহলৈ এই ৰোগ সংক্ৰমিত নহয়। গাহৰি পালকসকলে নিজৰ পামখন আফ্ৰিকান গাহৰি জ্বৰ (African Swine fever) ৰ সংক্ৰমণৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰাটো বাধ্যতামূলক -

- গাহৰি পামসমূহৰ জৈৱ সুৰক্ষা (Bio-security) ব্যৱস্থা এশ শতাংশ নিশ্চিত কৰাটোৱেই ইয়াৰ পৰা বাচি থকাৰ একমাত্ৰ উপায়।
- বিজ্ঞানসন্মতভাৱে আৱদ্ধ পদ্ধতি অৱলম্বন কৰি গাহৰি পালন কৰক।
- পাম চৌহদৰ চাৰিওফালে তিনি মিটাৰ দূৰত্বত বেৰ দিয়ক, যাতে অন্য কোনো জীৱ-জন্তু, বাহিৰৰ পৰা অহা মানুহ অথবা যান-বাহন আদি প্ৰবেশ কৰিব নোৱাৰে।
- পাম সদায় পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰাখক। নিতৌ গৰাঁলৰ মজিয়া আৰু পাম চৌহদ ২% কাপোৰ ধোৱা চ'ডা বা ২% ব্লিচিং পাউদাৰ মিশ্ৰিত পানীৰে চাফা কৰিব।
- দানাৰ পাত্ৰবোৰ ৪ পৰা ৬ ঘণ্টা পৰ্যন্ত প'টাছ পানীত ডুবাই ৰখাৰ পাছত চাফা কৰি ব্যৱহাৰ কৰিব।
- পামৰ প্ৰবেশ দ্বাৰত থকা পাওদানিত চূণ অথবা ২% ব্লিচিং পাউদাৰ মিশ্ৰিত পানী ৰাখিব।

- আক্ৰান্ত অঞ্চলৰ গাহৰি যাতে পাম চৌহদৰ ওচৰলৈ নাহে তাৰ প্ৰতি সম্পূৰ্ণ সজাগ হৈ থাকিব।
- নতুনকৈ কিনি অনা গাহৰি ৩-৪ সপ্তাহ আচুতীয়াকৈ নিৰীক্ষণত ৰাখক আৰু ৰোগ মুক্ত বুলি নিশ্চিত হোৱাৰ পাছতহে গৰাঁলত প্ৰবেশ কৰিবলৈ দিয়ক।
- পামৰ কৰ্মচাৰীসকলে পামৰ বাবে নিৰ্দিষ্ট কৰি থোৱা আচুতীয়া পোছাক পৰিধান কৰিহে পামত প্ৰবেশ কৰিব।
- গাহৰিক নিয়মিতভাৱে পেলুৰ দৰৱ খুৱাব আৰু পশুচিকিৎসকৰ পৰামৰ্শ মতে অন্যান্য ৰোগৰ ছিটাসমূহ প্ৰদান কৰাব।
- গাহৰিৰ দেহত যিকোনো ৰোগৰ লক্ষণ দেখাৰ লগে লগে ওচৰৰ পশু চিকিৎসালয় বা পশুস্বাস্থ্য উপ-কেন্দ্ৰৰ সৈতে যোগাযোগ কৰিব।
- যিকোনো কাৰণত গাহৰিৰ মৃত্যু হ'লে মৃতদেহ কমেও ছয় ফুট দ'কৈ গাঁত খান্দি তাত ব্লিচিং পাউদাৰ দি পুতি থব।
- মৃত গাহৰিৰ শৱ কোনো কাৰণতে খাল, নৈ, বিল অথবা মুকলি ঠাইত নেপেলাব।
- আক্ৰান্ত এলেকা সমূহত গাহৰি আৰু গাহৰিৰ মাংস বেচা-কিনা কৰাটো সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে।
- গাহৰি পালকসকলে প্ৰয়োজনীয় দিহা-পৰামৰ্শ আৰু যাৱতীয় অনুসন্ধানৰ বাবে খানাপাৰাস্থিত পশু স্বাস্থ্য কেন্দ্ৰত অৱস্থিত কেন্দ্ৰীয় নিয়ন্ত্ৰণ কক্ষৰ দূৰভাষ নং- ৯৫৩৫০৬১৬০৮ আৰু ৭০০২৪৮৩৮১০ ত যোগাযোগ কৰক।
- গাহৰি পালনৰ ক্ষেত্ৰত যিকোনো সমস্যাৰ সন্মুখীন হ'লে পশুপালন বিভাগৰ বিনামূলীয়া দূৰভাষ নং- "১৯৬২" ত যোগাযোগ কৰক।




AWARENESS DRIVE
AFRICAN SWINE FEVER
STATE VETERINARY DISPENSARY
ASF Awareness Drive under
SVD Moran.
Dakhin Borpather

## সতৰ্ক অঞ্চল (Alert zone), আক্ৰান্ত অঞ্চল (Infected zone), নিৰীক্ষণ অঞ্চল (Surveillance zone), নিৰপেক্ষ (Buffer zone) অঞ্চল:

**সতৰ্ক অঞ্চল(Alert zone):** ব্যৱসায়িক ভিত্তিত স্থাপন কৰা পাম চৌহদ/ ব্যক্তিগত ভাৱে পোহা ঘৰচীয়া গাহৰিত ৰোগ নিশ্চিত হোৱাৰ পাছত উক্ত এলেকাৰ চাৰিওফালে ১০কি.মি. ব্যাসাৰ্দ্ধৰ অঞ্চলটোক সতৰ্ক অঞ্চল (Alert zone) হিচাপে চিহ্নিত কৰা হয়। ইয়াৰ অন্তৰ্ভুক্ত সকলো গাওঁ আৰু গাহৰি পালকৰ তালিকা প্ৰস্তুত কৰা হয়। উক্ত এলেকাৰ পঞ্চায়ত কৰ্তৃপক্ষ, প্ৰশাসনিক আৰু পশু চিকিৎসা বিষয়াকে ধৰি সংশ্লিষ্ট সকলো পক্ষকে আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ ভয়াবহতা সম্পৰ্কে সচেতন কৰি তোলাৰ লগতে সকলো ধৰণৰ নিষেধাজ্ঞা বলবৎ কৰিবলৈ অনুৰোধ কৰা হয়। ৰোগৰ অভিকেন্দ্ৰ (Epicenter)ৰ পৰা ১ কি.মি. ব্যাসাৰ্দ্ধ সামৰি এই অঞ্চলটোক আক্ৰান্ত অঞ্চল (Infected zone), পৰৱৰ্তী ৯ কি.মি. ব্যাসাৰ্দ্ধৰ অঞ্চল নিৰীক্ষণ অঞ্চল (Surveillance zone) আৰু তাৰ পৰৱৰ্তী ২ কি.মি. অঞ্চল নিৰপেক্ষ (Buffer zone) অঞ্চল হিচাপে ঘোষণা কৰা হয়। নিৰপেক্ষ (Buffer zone) অঞ্চলটোৱে ৰোগমুক্ত আৰু নিৰীক্ষণ অঞ্চলৰ মাজত প্ৰাচীৰ হিচাপে কাম কৰে।

১) আক্ৰান্ত অঞ্চল (Infected/ Containment Zone): ৰোগৰ অভিকেন্দ্ৰ নিশ্চিত হোৱাৰ লগে লগে অভিকেন্দ্ৰৰ চাৰিওফালৰ ১ কি.মি. ব্যাসাৰ্দ্ধৰ অঞ্চলটোক আক্ৰান্ত/ আৱদ্ধ(Infected/Containment zone) হিচাপে ঘোষণা কৰা হয়।

২) নিৰীক্ষণ অঞ্চল(Surveillance zone): অভিকেন্দ্ৰৰ পৰা দহ কি.মি. কিন্তু আক্ৰান্ত অঞ্চলৰ পৰা ৯ কি.মি. ব্যাসাৰ্দ্ধ্যৰ এলেকাটো নিৰীক্ষণ অঞ্চল হিচাপে ঘোষিত হয়।



৩) নিৰপেক্ষ অঞ্চল (Buffer zone): নিৰীক্ষণ অঞ্চলটোৰ বাহিৰৰ গাত লাগি থকা দুই কি.মি.ব্যাসাৰ্দ্ধ্যৰ অঞ্চলটো নিৰপেক্ষ/বাফাৰ অঞ্চল হিচাপে গণ্য কৰা হয়।

এই অঞ্চল সমূহত বলৱৎ হ'বলগীয়া নীতি-নিৰ্দেশনাসমূহ হ'ল--

গাহৰিৰ ক্ষেত্ৰত:

- গাহৰিৰ মুক্ত চলাচলত নিষেধাজ্ঞা।
- পামত পূৰ্বৰ পৰা থকা গাহৰিৰ সৈতে নতুনকৈ অনা গাহৰি লগ লাগিব নিদিব। নিতান্ত প্ৰয়োজন হ'লে ৩-৪ সপ্তাহ আচুতীয়াকৈ ৰাখি নিৰীক্ষণ কৰিব।
- আক্ৰান্ত আৰু নিৰীক্ষণ অঞ্চলৰ পৰা গাহৰি তথা গাহৰি মাংসৰ সৰবৰাহ/ বেচা-কিনাত সম্পূৰ্ণ নিষেধাজ্ঞা।
- সমগ্ৰ ৰাজ্যতে ঘৰুৱা/ৰেষ্টুৰেণ্ট/হোটেল/ ৰেল/বিমান আদিৰ পেলনীয়া ৰন্ধা খাদ্য গাহৰিক খুওৱাত সম্পূৰ্ণ নিষেধাজ্ঞা ।
- আফ্ৰিকান ছোৱাইন ফিভাৰ অথবা যিকোনো ৰোগত মৃত্যু হোৱা গাহৰিৰ মৃতদেহ মুকলি ঠাই, নদী বা জলাশয়ত আদিত পেলোৱাত নিষেধাজ্ঞা। অন্যথা আইনমতে দণ্ডণীয় হ'ব।
- গাহৰিৰ মৃতদেহবোৰ কমেও ছয় ফুট দ' গাঁত খান্দি পুতি থোৱাটো বাধ্যতামূলক।
- নিধন (Culling) আৰু বীজাণুনাশন (Sanitization) প্ৰক্ৰিয়া শেষ নোহোৱা পৰ্যন্ত উক্ত এলেকাৰ পৰা তথা উক্ত অঞ্চললৈ যান-বাহনৰ চলাচল সীমিতকৰণ/বন্ধ কৰিব লাগিব।
- নিধন (Culling) আৰু বীজাণুনাশন (Sanitization) সম্পূৰ্ণ নোহোৱা পৰ্যন্ত আক্ৰান্ত/আৱদ্ধ অঞ্চলত গাহৰি মাংস বিক্ৰী তথা খোৱাটো সম্পূৰ্ণ নিষেধ।

- আক্ৰান্ত পামলৈ অচিনাকি লোকৰ যাতায়ত বন্ধ তথা পাম/গৰাঁলৰ কৰ্মীসকলক হাত, ভৰি, জোতা আদি বীজাণুনাশন নকৰাকৈ প্ৰৱেশ/প্ৰস্থানত বাধা।
- কৰ্তৃপক্ষৰ অনুমতি অবিহনে অন্য ঠাইৰ পৰা আক্ৰান্ত অঞ্চললৈ নতুনকৈ গাহৰিৰ আমদানি সম্পূৰ্ণ নিষেধ।
- ৰাজ্যখন "আফ্ৰিকান ছোৱাইন ফিভাৰ মুক্ত" বুলি ঘোষিত নোহোৱা পৰ্যন্ত সংৰক্ষিত বনাঞ্চলৰ চাৰিওফালে ২ কি.মি.ব্যাসাৰ্দ্ধৰ এলেকাত গাহৰি পালন সম্পূৰ্ণ নিষিদ্ধ।

## জৈৱ-সুৰক্ষা ব্যৱস্থাৱলীঃ

সাধাৰণতে দেখা গৈছে যে, গাহৰিপালক তথা সিহঁতক চোৱা-চিতা কৰা লোকসকলৰ অসাৱধানতা বা অসতৰ্কতাৰ বাবেই ৰোগবিধ অধিক বিয়পে । গতিকে, পামখনত অথবা ঘৰুৱা গাহৰিজাকত কিছুমান কম খৰচী অথচ সুদূৰ প্ৰসাৰী ব্যৱস্থা হাতত ল’লেই ৰোগবিধৰ বিস্তাৰ নিয়ন্ত্ৰণ কৰিব পৰা যায়। এই ব্যৱস্থা বোৰেই হ'ল জৈৱ সুৰক্ষা ব্যৱস্থা। জৈৱ সুৰক্ষাৰ উদ্দেশ্যই হ'ল-পাম চৌহদ সংক্ৰমণৰ পৰা সুৰক্ষিত কৰি ৰখা আৰু পশুধনৰ সুস্বাস্থ্য নিশ্চিত কৰা।

## বিভিন্ন প্ৰকাৰৰ জৈৱ সুৰক্ষাৰ পদ্ধতিসমূহ হ'ল-

- নিয়মীয়া ছিটাকৰণ আৰু পেলুনাশনৰ দ্বাৰা গাহৰিজাকক নিৰোগী কৰি ৰখা|
- সংক্ৰমণ দূৰ কৰা

- নিয়মীয়া স্বাস্থ্য পৰীক্ষা কৰোৱাৰ লগতে ৰোগৰ লক্ষণ দেখা মাত্ৰেই যাৱতীয় চিকিৎসা প্ৰদান|
- ৰোগ প্ৰতিৰোধ ক্ষমতা বাহাল ৰখা|

পাম চৌহদৰ সুৰক্ষা-

- অবাঞ্ছিত লোক/পশুৰ প্ৰৱেশত বাধা।
- চৌহদৰ চাৰিওফালে বেৰা দিয়া।
- ভিতৰলৈ সোমোৱা গাড়ীৰ চকাবোৰ শোধনৰ বাবে বীজাণু নাশক মিহলোৱা হুইল বাথ (Wheel bath) নিৰ্মাণ।
- গাহৰিৰ ঘৰৰ প্ৰৱেশ পথত বীজাণুনাশক মিহলোৱা ফুট বাথ (Foot bath) নিৰ্মাণ।
- গৰাঁলৰ ভিতৰে-বাহিৰে নিয়মিত ভাৱে পৰিষ্কাৰ কৰা আৰু বীজাণু নাশক (চূণ,২% ব্লিচিং পাউডাৰ) ছটিওৱা।
- কৰ্মী তথা বিষয়া সকলে ব্যক্তিগত চাফ- চিকুণতা বৰ্তাই ৰখা।
- বেলেগ বেলেগ বয়সৰ গাহৰিক পৃথক ঘৰত ৰখা।
- উন্নত মানৰ সন্তুলিত দানা আৰু পৰিষ্কাৰ বীজাণুমুক্ত পানী খুওৱা।
- পূৰ্বৰ পৰা এইৰোগৰ প্ৰাদুৰ্ভাৱ হৈ থকা দেশৰ পৰা আমদানি কৰা উন্নত জাতৰ গাহৰি আৰু গাহৰিৰ দানাৰ জৰিয়তেও এই ৰোগ বিয়পিব পাৰে। গতিকে, চিনাকি উৎসৰ পৰাহে গাহৰি, দানা আৰু যাৱতীয় আচবাব পামলৈ আনিব।
- পাম চৌহদলৈ যিকোনো উৎসৰ গাহৰি মাংস আৰু সংসাধিত মাংস সুমুৱাব নালাগে ।
- দূষিত খাদ্য, দানাৰ উপাদান পামলৈ নানিব।
- বাহী, পেলনীয়া ৰান্ধনী ঘৰৰ খাদ্য গাহৰিক নুখুৱাব|

## নিধন আৰু ৰোগ নিয়ন্ত্ৰণৰ বাবে পূৰ্ব প্ৰস্তুতিঃ

গাহৰি নিধন (culling), মৃতদেহ সৎকাৰ (disposal), চাফ-চিকুণ আৰু বীজাণুনাশন (Sanitization) ইত্যাদি কামবোৰ পৰিদৰ্শনৰ বাবে যিহেতু অধিক কৰ্মীৰ প্ৰয়োজন হ'ব, তালৈ চাই ৰাজ্যখনৰ সকলো পশুচিকিৎসক, ক্ষেত্ৰ সহায়ক আৰু পশুচিকিৎসা খণ্ডৰ লগত জড়িত লোকক যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰি সাজু কৰি তুলিব লাগিব। যাতে একেলগে কেবাঠাইত সংক্ৰমণ হলে নিয়ন্ত্ৰণ কৰিব পৰা যায়। তাৰবাবে পাঁচ প্ৰকাৰৰ দ্ৰুত সহাৰি দল (Rapid Response Team- RRT) গঠন কৰা হৈছে।

দলবোৰ এনেধৰণৰ-

ক) বিভিন্ন ঠাইৰ পৰা নিধনৰ বাবে গাহৰি সংগ্ৰহকাৰী RRT- এগৰাকী পশুচিকিৎসা বিষয়া, এজন ক্ষেত্ৰ সহায়ক আৰু তিনিজন শ্ৰমিকেৰে গঠিত।

খ) সংগৃহীত গাহৰিবোৰ সৰবৰাহৰ বাবে "সৰবৰাহকাৰী RRT- এজন ক্ষেত্ৰ সহায়ক আৰু দুজন শ্ৰমিকেৰে গঠিত।

গ) নিধনৰ সময়ত বৈদ্যুতিক শ্বক্ দিবৰ বাবে বৈদ্যুতিক শ্বক্ প্ৰদানকাৰী, RRT ৰ এগৰাকী পশুচিকিৎসা বিষয়া, তিনি জন ক্ষেত্ৰ সহায়ক আৰু ৯ জন শ্ৰমিকেৰে গঠিত।

ঘ) নিৰীক্ষণকাৰী RRT - এগৰাকী পশুচিকিৎসা বিষয়া, দুজন ক্ষেত্ৰ সহায়ক দুজন গোপাল মিত্ৰ অথবা সমপৰ্য্যায়ৰ কৰ্মীৰে গঠিত।

ঙ) তথ্যসংগ্ৰহকাৰী RRT- এগৰাকী পশুচিকিৎসা বিষয়া, দুজন ক্ষেত্ৰ সহায়ক, এজন চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আৰু ৰাজহ বিভাগৰ প্ৰতিনিধি এগৰাকীক লৈ গঠিত।

একোখন জিলাৰ নিৰ্দিষ্ট অভিকেন্দ্ৰৰ গাহৰিপালক/ হিতাধিকাৰী তথা বয়স ভিত্তিক নিধন কৰিবলগীয়া গাহৰিৰ তথ্য সংগ্ৰহ আৰু তালিকা প্ৰস্তুত কৰাটো এই দলৰ কাম হ'ব।

## নিধন কৰা গাহৰিৰ মৃতদেহ সৎকাৰৰ ক্ষেত্ৰত ল'বলগীয়া সাৱধানতাঃ

- মৃতদেহবোৰ পুৰি পেলাব নাইবা গভীৰ দ' গাঁতত পুতি পেলাব পাৰি। পুৰিবৰ বাবে পৰ্যাপ্ত বাহ-কাঠৰ প্ৰয়োজন হ'ব।
- পুতিবৰ বাবে গভীৰ দ' গাঁত খান্দিব লাগিব। জে.চি.বিৰ সহায়ত গাঁত (প্ৰায় ছ'ফুট) খান্দি তাত এন্দুৰ বা মাংসাহাৰী জন্তুৱে খাব নোৱাৰাকৈ পুতি থব লাগে।
- মৃতদেহৰ সংখ্যা অনুসৰি নিৰ্দিষ্ট দৈৰ্ঘ্য আৰু প্ৰস্থৰ দ' গাঁত (ভূগৰ্ভৰ পানীৰ তৰপৰ ওপৰত) আগতিয়াকৈ খান্দিব লাগিব।
- ৩০ মিটাৰৰ খেৰ, কাঠৰ গুড়া বা তেনেকুৱা সামগ্ৰীৰ তৰপ এটা গাতটোৰ তলত পাৰি দিব লাগিব।
- তাৰ ওপৰত মৃত গাহৰিবোৰ এটা এটাকৈ ওপৰা ওপৰি নোহোৱাকৈ থব লাগিব।
- তাৰ ওপৰত পৰ্যাপ্ত পৰিমাণে ব্লিচিং পাউদাৰ, চডিয়াম হাইপ'ক্লৰাইটৰ দ্ৰবৰ তৰপ এটা দিব লাগিব।
- তাৰ ওপৰত অন্ততঃ এক মিটাৰ ডাঠ মাটিৰ তৰপ এটা দিব লাগিব।
- গাঁতটোৰ চাৰিওফালে পানী জমা নহ'বলৈ নলাৰ ব্যৱস্থা কৰিব লাগিব।
- গাঁতৰ চাৰিওফালে মজবুত বেৰ দিব লাগিব যাতে মাংসাহাৰী জন্তুৱে টানিব নোৱাৰে।
- নিধন প্ৰক্ৰিয়াত অংশ লোৱা সকলোৱে PPE কিট, গাম বুট পিন্ধিব লাগিব।
- ব্যৱহাৰ হোৱা সকলো সৰঞ্জাম, বাহন শোধন কৰিব লাগিব।
- ওভতনি পথত বীজাণুনাশক ছটিয়াই আহিব লাগিব।

## আৰ্থ সামাজিক দিশত আফ্ৰিকান ছোৱাইন ফিভাৰ প্ৰভাৱঃ

ভাৰতবৰ্ষত থকা গাহৰিৰ মুঠ সংখ্যাৰ ২৮ শতাংশই উত্তৰ-পূৰ্বাঞ্চলত আছে। তাৰ ভিতৰত অসমত ইয়াৰ সংখ্যা সৰ্বাধিক। মন কৰিবলগীয়া যে

আমাৰ ৰাজ্যৰ জনজাতীয় লোকসকলে পৰম্পৰাগত পদ্ধতিৰে গাহৰি পালন কৰি আহিছে যদিও শেহতীয়াকৈ একাংশ প্ৰগতিশীল আৰু উচ্চ শিক্ষিত লোকে বিজ্ঞানসন্মতভাৱে গাহৰি পালন কৰিবলৈ লৈছে, য'ত জৈৱ সুৰক্ষাই প্ৰাধান্য লাভ কৰিছে। আনহাতে মুকলিমূৰীয়াকৈ গাহৰি পোহা সকলৰ ক্ষেত্ৰত জৈৱ সুৰক্ষাৰ বিষয়টো কেৱল প্ৰতিষেধক ছিটাতে সীমাৱদ্ধ হৈ আছে। দেশত প্ৰথমবাৰৰ বাবে দেখা দিয়া এই সংক্ৰামক ৰোগৰ বিস্তৃতিয়ে পশুধন অৰ্থনীতিত ক্ষতিসাধন কৰিলেও জৈৱ সুৰক্ষা বিষয়টোৱে নতুন মাত্ৰা পাইছে আৰু সকলোৰে বুজি উঠিছে গাহৰি পালনত জৈৱ সুৰক্ষাৰ প্ৰয়োজনীয়তা।





গাহৰি মাংসৰ জনপ্ৰিয়তা সকলো শ্ৰেণীৰ মানুহৰ মাজত বৃদ্ধি পোৱাৰ বাবে গাহৰিৰ চাহিদা বৃদ্ধি পাইছে। ফলত গাহৰি পালক তথা গাহৰি মাংসৰ ব্যৱসায়ীৰ সংখ্যা বাঢ়িছে। সংক্ৰমিত অঞ্চল বা জিলাত গাহৰি মাংস তথা গাহৰি বিক্ৰী বন্ধ কৰাত সামগ্ৰিকভাৱে আৰ্থিক দিশত ক্ষতিগ্ৰস্থ হৈছে। আনকি আক্ৰান্ত নোহোৱা জিলা সমূহতো পৰোক্ষভাৱে ইয়াৰ প্ৰভাৱ পৰিছে। উল্লেখনীয় যে আঢ়ৈ মহীয়াৰ পৰা তিনিমহীয়া গাহৰি পোৱালিৰ দাম ২২০০ টকাৰ পৰা ২৫০০ টকা পৰ্যন্ত হোৱাৰ বিপৰীতে ৭০ কিলোগ্ৰাম ওজনৰ এটা গাহৰিৰ দাম ১৫০০০ টকাৰ ওপৰত হয়। এজন গাহৰি পালকে যদি ৫ জনী

মাইকী গাহৰিৰ লগত এটা মতা গাহৰি পালন কৰে, তেন্তে বছৰি কমেও ১০০ টা পোৱালী উৎপাদন হয়, যাৰ আৰ্থিক মূল্য প্ৰায় ২,৫০,০০০ টকা। গতিকে এজন গাহৰি পালকৰ আৰ্থিক ক্ষতি কিমান হ'ব পাৰে সেয়া সহজে অনুমেয়।

আমাৰ ৰাজ্যৰ সৰহ সংখ্যাক জনজাতীয় লোকে কৃষিকৰ্মৰ লগতে পৰম্পৰাগতভাৱে গাহৰি পালন কৰি আহিছে। গতিকে আফ্ৰিকান ছোৱাইন ফিভাৰৰ ফলত এই সকল গাহৰি পালক যথেষ্ট আৰ্থিক ক্ষতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। যিহেতু মহিলা সকলে গাহৰি পালনৰ পৰা অহা উপাৰ্জনৰ ধন তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষা লগতে পৰিয়ালৰ কাপোৰ, বেমাৰ-আজাৰ আদিত ব্যয় কৰে। তাৎক্ষণিক জৰুৰী প্ৰয়োজনত তেওঁলোকে গাহৰিক এ.টি.এম হিচাপে গণ্য কৰে বুলি ক'ব পাৰি।

কেতবোৰ জনজাতীয় উৎসৱ-পাৰ্বণ তথা লোকাচাৰত গাহৰি অপৰিহাৰ্য অংগ হিচাপে বিবেচিত হৈ আহিছে। বিবাহ, মৃতকৰ কাজ, পূজা-পাতল আদিত এওঁলোকে গাহৰিৰ মাংস ব্যৱহাৰ কৰে। গতিকে আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণৰ ফলত এইবোৰ ক্ষেত্ৰতো তেওঁলোকে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে।

## আফ্ৰিকান ছোৱাইন ফিভাৰৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমৰ ভূমিকাঃ

সংবাদ মাধ্যমত অচিন ৰোগত পশুধনৰ মৃত্যুৰ বাতৰি ওলালেই আতংকিত হৈ পৰে আমাৰ পশুপালক সকল। গতিকে বিশ্বাসযোগ্য তথ্যৰ ভিত্তিত আতংকিত নকৰাকৈ ইতিবাচক বাতৰি পৰিৱেশন কৰাটো সংবাদ মাধ্যমৰ নৈতিক দায়িত্ব।

পশুচিকিৎসা বিজ্ঞানে পশুধন আৰু হাঁহ-কুকুৰাৰ সংক্ৰামক ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত প্ৰতিষেধক ছিটাৰ পোষকতা কৰে। গাহৰিৰ Classical Swine Fever (CSF) বা গাহৰি জ্বৰ এক ভয়াবহ সংক্ৰামক ৰোগ। সেয়েহে বিভাগে এনে ৰোগ প্ৰতিৰোধৰ বাবে নিয়মীয়াকৈ প্ৰতিষেধক ছিটাৰ ব্যৱস্থা কৰি আহিছে। যিহেতু ইতিপূৰ্বে অসমত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ হোৱাৰ নজিৰ নাই, গতিকে এই ৰোগ চিনাক্ত নোহোৱা পৰ্যন্ত Classical Swine Fever (CSF) বা গাহৰি জ্বৰৰ প্ৰতিষেধক ছিটা দি থকা হৈছিল। পৰৱৰ্তী সময়ত ৰোগ নিয়ন্ত্ৰণ নোহোৱাত নমুনা সংগ্ৰহ কৰি ভূপালৰ পৰীক্ষাগাৰলৈ পঠিওৱা হয় আৰু উক্ত পৰীক্ষাগাৰে অসমত পোন প্ৰথম বাৰৰ বাবে আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰাদুৰ্ভাৱ নিশ্চিত কৰে। লগে লগে বিভাগে অতি ক্ষিপ্ৰতাৰে এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সকলো ধৰণৰ যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিছে। এই ৰোগৰ মৃত্যুৰ হাৰ ৯০ ৰ পৰা ১০০ শতাংশ পৰ্যন্ত যদিও সৌভাগ্যৰ কথাটো হ'ল ই মানুহৰ দেহলৈ সংক্ৰমিত নহয়। এই ক্ষেত্ৰত সকলো সংবাদ মাধ্যমক শুদ্ধ তথ্যভিত্তিক বাতৰি পৰিৱেশন তথা প্ৰচাৰৰ জৰিয়তে ৰাইজক আতংকিত নকৰি সতৰ্ক আৰু সজাগ কৰাৰ লগতে এই ভয়াৱহ সংক্ৰমণ ৰোধ কৰাৰ ক্ষেত্ৰত বিভাগক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়াবলৈ বিনম্ৰভাৱে অনুৰোধ জনোৱা হ'ল। ইয়াৰ লগতে শেহতীয়াকৈ কিছু ঠন ধৰি উঠা আৰু বহু শিক্ষিত প্ৰগতিশীল গাহৰি পালক জড়িত হৈ থকা গাহৰি পালন খণ্ডৰ এই দুৰ্যোগৰ সময়ত ইতিবাচক তথা প্ৰেৰণাদায়ক বাতৰি পৰিৱেশনৰ আৰু প্ৰচাৰৰ জৰিয়তে গাহৰি পালন খণ্ডৰ পুণৰুত্থান আৰু বিকাশত সহযোগ কৰিবলৈ প্ৰচাৰ মাধ্যমসমূহক আৱেদন জনালোঁ।

******